# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-SEP-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

———————————————————

বিটিচি নিৰ্বাচনৰ ভোটগ্ৰহণৰ মাজত ছটা দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিটিআৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ চলাই আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেইবাগৰাকীও মন্ত্ৰী, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো, বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ আৰু চিৰাঙত আয়োজিত দুখন জনসভাত অংশ লয়। কোকৰাঝাৰত বানৰগাঁও আৰু দতমা সমষ্টিৰ পৰিষদীয় প্ৰাৰ্থী দুগৰাকীৰ হৈ প্ৰচাৰ চলাই জনসভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে বিজেপিৰ নীতি আৰু কাৰ্যসূচীৰ প্ৰতি নিৰন্তৰ বিশ্বাস আৰু আস্থা ৰখাৰ বাবে জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। চিৰাং জিলাত চিৰাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৌমখোৰ ব্ৰহ্মৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে বড়ো চুক্তি কাৰ্যকৰী কৰাৰ লগতে বি টি আৰত শান্তি স্থাপনৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বাক্সা জিলাৰ ফাতেমাবাদ চাহ বাগিচাত আয়োজিত এখন সভাত অংশ লৈ দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। জনসভাত দিয়া ভাষণত তেওঁ কয়, যে বি টি আৰৰ জনসাধাৰণৰ উৎসাহে অঞ্চলটোৰ শান্তি, সম্প্ৰীতি আৰু সমৃদ্ধিকে প্ৰতিফলিত কৰিছে। মন্ত্ৰী অতুল বৰাই আজি মাসনগুৰি পৰিষদীয় সমষ্টিৰ বাক্সাৰ খাৰিজা বিজনী মৌজাৰ ওদাৰগুৰিত অগপ প্ৰাৰ্থী মনমোহন দাসৰ সমৰ্থনত প্ৰচাৰ চলায়। এই সভাত সাংসদ ফণীভূষণ চৌধুৰী, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ লগতে কেইবাগৰাকীও বিধায়ক আৰু দলীয় কৰ্মী উপস্থিত থাকে।

বিৰোধী দল কংগ্ৰেছ, বিপিএফ, ৰাইজৰ দল আৰু অন্যান্য দলসমূহেও আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০০

শিলচৰৰ নেচনেল ইনষ্টিটিউট অব টেকন'ল'জিৰ চৌহদত হিংসাত্মক ঘটনা সন্দৰ্ভত ৫ গৰাকী বাংলাদেশী ছাত্ৰক সাময়িকভাৱে বহিষ্কাৰ কৰা হৈছে। এই ছাত্ৰ কেইজনক এটা শিক্ষাবৰ্ষৰ বাবে বহিষ্কাৰ কৰাৰ লগতে ছাত্ৰাবাসত থকাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তৃতীয় বৰ্ষৰ এই ছাত্ৰকেইজনে সহপাঠীক আক্ৰমণ কৰাৰ অভিযোগ উঠিছিল। এই ছাত্ৰকেইজন এছ কে ছাহৰিয়াৰ আহমেদ আকাশ, সীমান্ত ঘোষ, সৌম্যজিৎ পাল, ছাজ্জাদ হুছেইন ৰফী আৰু মহম্মদ নুৰ হুছেইন বুলি প্ৰকাশ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক সম্পৰ্ক পৰিষদৰ জলপানী লাভ কৰি এই ছাত্ৰকেইজনে প্ৰতিষ্ঠানটোত অধ্যয়ন কৰি আছিল। যোৱা ৮ ছেপ্তেম্বৰত সংঘটিত এই ঘটনাৰ পাছত শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত কেইবাজনো ছাত্ৰক

সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা হৈছিল। প্ৰতিষ্ঠানটোৰ পৰিচালক দিলীপ কুমাৰ বৈদ্যই কয়, যে তেওঁলোকৰ হাতত ছাত্ৰকেইজনৰ বিৰুদ্ধে পৰ্যাপ্ত তথ্য, প্ৰমাণ আছে। তেওঁলোকক বাংলাদেশলৈ ঘূৰাই পঠিওৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

*(বাইট)*

০০০০০

সুৰজিত ডেকা নামৰ বাঘবৰ ৰাজহ্ চক্ৰৰ এজন লাট মণ্ডলৰ বৰপেটা নগৰৰ সমীপৰ দঙৰকুছিৰ বাসগৃহত গুৱাহাটীৰ পৰা যোৱা মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ এটা দলে আজি তালাচী চলায়। অভিযানকাৰী দলটোৱে ডেকাক লগত লৈ বৰপেটা ৰাজহ্ চক্ৰ বিষয়াৰূপে এসময়ত কাৰ্যনিৰ্বাহ কৰা কামৰূপৰ গৰৈমাৰীৰ ৰাজহ্ চক্ৰ বিষয়া নুপূৰ বৰাৰ ভাৰাঘৰতো অভিযান চলায়। বৰপেটা নগৰৰ শ্ৰীকামাৰ পথত থকা ভাৰাঘৰটোত চলোৱা অভিযানত প্ৰায় চাৰে ১০ লাখ টকা আৰু নথিপত্ৰ উদ্ধাৰ কৰে বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ অভিযানকাৰী দলৰ বিষয়াই প্ৰকাশ কৰে। উল্লেখযোগ্য যে বৰপেটাৰ ৰাজহ্ চক্ৰ বিষয়া হিচাপে কৰ্মৰত হৈ থকাৰ সময়ত নুপূৰ বৰাই বিত্তীয় অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। নুপূৰ পৰাৰ সহযোগী হিচাপে লাট মণ্ডল ডেকাই ভূমি সংক্ৰান্তীয় বিভিন্ন জালিয়াতি কৰাৰো অভিযোগ উত্থাপন হৈছে। সেই সূত্ৰে নুপূৰ বৰাৰ গুৱাহাটীৰ বাসভৱনৰ সমান্তৰালকৈ বৰপেটাত থকা তেওঁৰ ভাৰাঘৰ আৰু সহযোগী লাট মণ্ডল ডেকাৰ বিৰুদ্ধে এই অভিযান চলে।

০০০০০

খ্যাতনামা অভিযন্তা, শিক্ষাবিদ, ভাৰতৰত্ন সন্মানেৰে সন্মানিত এম বিশ্বেশ্বৰীয়াৰ জয়ন্তী উপলক্ষে আজি অভিযন্তা দিৱস পালন কৰা হৈছে। দেশৰ উন্নয়ন আৰু কাৰিকৰী প্ৰগতিৰ ক্ষেত্ৰত অভিযন্তাসকলে আগবঢ়াই অহা অৰিহণাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি এই দিৱস উদযাপন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিযন্তা দিৱস উপলক্ষে আজি এম বিশ্বেশ্বৰীয়াৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে শ্ৰী মোদীয়ে কয়, যে খ্যাতনামা অভিযন্তাগৰাকীৰ অসাধাৰণ বুদ্ধিমত্তাই ভাৰতীয় অভিযান্ত্ৰিক ক্ষেত্ৰত অম্লান স্বাক্ষৰ ৰাখি থৈ গৈছে। তেওঁ কয়, যে দেশৰ অভিযন্তাসকলে এখন বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা সমন্বিত প্ৰচেষ্টাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সৃজনীশীলতা আৰু দৃঢ়তাৰে বিভিন্ন ক্ষেত্ৰৰ কঠিন প্ৰত্যাহ্বান গ্ৰহণ কৰি ন ন উদ্ভাৱন কৰি যোৱা অভিযন্তাসকলক এই দিৱস উপলক্ষে অভিনন্দন জ্ঞাপন কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে দেশৰ অভিযন্তাসকলক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ কয়, যে কিংবদন্তি অভিযন্তা এম বিশ্বেশ্বৰীয়াই দেশক ৰূপান্তৰৰ পথলৈ লৈ যাবলৈ সমৰ্থ হৈছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ নিজৰ উদ্ভাৱন আৰু সামৰ্থ্যৰে দেশৰ কাৰিকৰী ক্ষেত্ৰত উত্তৰণ ঘটোৱা অভিযন্তাসকলক অভিনন্দন জ্ঞাপন কৰে।

০০০০০

সমাপ্ত